**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2024 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বৈঠক। বৈঠকত গুৱাহাটী ৰিং ৰোড, কাজিৰঙা এলিভেটেড কৰিড'ৰ, গহপুৰ-নুমলীগড়ৰ পানীৰ তলৰ সুৰঙ্গ পথ নিৰ্মাণ সম্পৰ্কত আলোচনা।

২। প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন।

৩। ৰাজ্যজুৰি আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত।

৪। দশম ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱ ২০২৪ৰ সামৰণি।

*আৰু*

৫। গুৱাহাটীত মাষ্টাৰ্ছ ছুপাৰ হাণ্ডৰেড আন্তৰ্জাতিক বেডমিণ্টন আৰম্ভ। অসম কন্যা ঈষা ৰাণীৰ মূল ৰাউণ্ডত খেলাৰ সুযোগ।

০০০০০০০

কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে ৰূপায়ণ কৰিবলৈ লোৱা গুৱাহাটী ৰিং ৰোড, কাজিৰঙা এলিভেটেড কৰিড'ৰ আৰু গহপুৰ-নুমলীগড়ৰ পানীৰ তলৰ সুৰঙ্গ পথ নিৰ্মাণৰ বাবে শীঘ্ৰেই ভূমি অধিগ্ৰহণ আৰু অন্যান্য প্ৰস্তুতিমূলক কাম সম্পূৰ্ণ কৰা হ'ব। আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে এখন বৈঠক অনুষ্ঠিত কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰে। ৰাজ্যখনত অগ্ৰাধিকাৰযুক্ত আন্তঃগাঁথনি প্ৰকল্পসমূহ সময় মতে সম্পূৰ্ণকৰণ নিশ্চিত কৰাৰ বাবে পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ে আগবঢ়োৱা সমৰ্থনৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। সামাজিক মাধ্যমত এই সম্পৰ্কত বক্তব্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কয় যে ৰাজ্য চৰকাৰে পূৰ্বে জনোৱা মতামতক মান্যতা প্ৰদান কৰি ৰাষ্ট্ৰীয় ঘাইপথৰ যোৰহাট-ডিব্ৰুগড় সম্প্ৰসাৰিত অংশৰ কামৰ গতি এতিয়া ক্ষীপ্ৰ কৰা হৈছে। তদুপৰি বাইহাটা চাৰিআলিৰ পৰা মিছন চাৰিআলিলৈ ঘাইপথৰ দ্বৈত পথ নিৰ্মাণৰ কাম-কাজৰ অগ্ৰগতি হোৱা বুলিও তেওঁ উল্লেখ কৰে। আজিৰ বৈঠকত ৰাজ্যত চলি থকা ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম আৰু ৰাষ্ট্ৰীয় ঘাইপথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ প্ৰকল্পসমূহৰ বিষয়েও পৰ্যালোচনা কৰা হয়।

ইফালে, মুখ্যমন্ত্ৰী শ্ৰীশৰ্মাই কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ সৈতে আন এক আলোচনাত মিলিত হয়। এই আলোচনাত উত্তৰ-পূব বিকাশ মন্ত্ৰালয়ৰ দ্বাৰা আয়োজিত অষ্টলক্ষ্মী মহোৎসৱ আৰু ৰাজ্যত চলিত উন্নয়নমূলক প্ৰকল্পৰ সৈতে সম্পৰ্কিত বিষয় সন্দৰ্ভত আলোচনা কৰে। আলোচনা কালত মন্ত্ৰীগৰাকীক অহা ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ সন্মিলনলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় মন্ত্ৰী তথা ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় অধ্যক্ষ জে পি নাড্ডাকো সাক্ষাৎ কৰে। এই সাক্ষাৎ কালত স্বাস্থ্য সেৱা খণ্ডক

সমৰ্থন কৰাৰ বাবে পি এম জে এ ওৱাই, আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু অন্যান্য কেন্দ্ৰীয় আঁচনি ৰূপায়ণত অসমে আগবঢ়োৱা অগ্ৰগতিৰ বিষয়েও অৱগত কৰে। লগতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণলৈ আমন্ত্ৰণ জনায়।

০০০০০০০

প্ৰতিগৰাকী দিব্যাংগৰ অধিকাৰ আৰু সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰাৰ লক্ষ্যৰে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। অসমতো আজি ৰাজ্য চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ উদ্যোগত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে আন্তৰ্জাতিক দিব্যাংগ দিৱস পালন কৰা হয়। এই অনুষ্ঠানত বিভাগীয় মন্ত্ৰী পীযুষ হাজৰিকাই অংশগ্ৰহণ কৰি ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্য চৰকাৰে দিব্যাংগসকলৰ কল্যাণৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। পৃথিৱীৰ ১৬ শতাংশ ব্যক্তি দিব্যাংগ আৰু অসমৰো কেইবা হাজাৰো লোক দিব্যাংগ বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁলোকক একেলগে সামৰি লৈ সমাজৰ বাবে কাম কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰয়াস কৰি আহিছে। মন্ত্ৰীগৰাকীয়ে আজি আন্তৰ্জাতিক দিব্যাংগ দিৱস উপলক্ষে কেন্দ্ৰীয় চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰালয়ৰ অধীনৰ গুৱাহাটীস্থিত বিশেষভাৱে সক্ষম ব্যক্তিৰ দক্ষতা বিকাশ, পুনৰবাসন আৰু সৱলীকৰণৰ সংহত ক্ষেত্ৰীয় কেন্দ্ৰ অৰ্থাৎ চি আৰ চিৰ উদ্যোগত আয়োজিত অনুষ্ঠানতো উপস্থিত থাকে। এই অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে দিব্যাংগ ব্যক্তিসকলৰ সমাজত সম অংশগ্ৰহণ সুনিশ্চিত কৰিবলৈ সকলোৰে একেলগে চেষ্টা চলাব লাগিব বুলি উল্লেখ কৰে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দিব্যাংগ লোকসকলৰ সবলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ৩৩ গৰাকী ব্যক্তি আৰু প্ৰতিষ্ঠানক আজি নতুন দিল্লীত ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰে। অনুষ্ঠানত সামাজিক ন্যায় আৰু সবলীকৰণ মন্ত্ৰী ড° বীৰেন্দ্ৰ কুমাৰে দিবাংগসকলৰ জীৱন সুগম কৰি তোলাৰ উদ্দেশ্যে গ্ৰহণ কৰা ১৬টা বিশেষ পদক্ষেপৰ কথা ঘোষণা কৰে। সামাজিক পৰিৱৰ্তনক উৎসাহিত কৰাৰ উদ্দেশ্যে চৰকাৰী আৰু বে-চৰকাৰী সংস্থাৰ প্ৰতিনিধি, বিশেষজ্ঞ আৰু বিভিন্ন ক্ষেত্ৰৰ হিতাধিকাৰীক একত্ৰিত কৰাই এই দিৱসৰ মূল উদ্দেশ্যে।

কটন বিশ্ববিদ্যালয়ৰ বিশেষভাৱে সক্ষম মঞ্চই আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে এটা সজাগতামূলক পদযাত্ৰা উলিয়ায়। ৰাজ্যৰ অন্যান্য জিলাতো এই দিৱস উপলক্ষে ভিন ভিন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে দিব্যাংগসকলৰ সৰ্বাত্মক বিকাশ আৰু কল্যাণৰ লক্ষ্যৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

মৰিগাঁও জিলাতো আজি আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস পালন কৰা হয়। এটা বেচৰকাৰী সংস্থাৰ সৌজন্যত আৰু মৰিগাঁও জিলা প্ৰশাসনৰ সহযোগত আয়োজিত অনুষ্ঠানৰ অংশ হিচাপে দিব্যাংগসকলৰ সৃষ্টিশীল কৰ্মৰাজিৰ প্ৰদৰ্শনী মুকলি কৰা হয়। নগাঁও জিলা ন্যায় সেৱা প্ৰাধিকাৰী, জিলা সমাজ কল্যাণ বিভাগ, সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থা আৰু জিলা প্ৰতিবন্ধী সন্থাৰ সহযোগত আজি এই দিৱস পালন কৰা হয়।

০০০০০

আজি অধিবক্তা দিৱস। গুৱাহাটী উকীল সন্থাই পাণবজাৰৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত চৌহদত এই দিৱস উদযাপন কৰে। এই উপলক্ষে সন্থাই এটা পদযাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে কেইবাগৰাকী জ্যেষ্ঠ অধিবক্তাক সম্বৰ্ধনা জ্ঞাপন কৰে। আজি পুৱাৰ ভাগত দিৱসৰ সৈতে সংগতি ৰাখি কটন বিশ্ববিদ্যালয়, জিলা আৰু

ছেচন ন্যায়াধীশৰ আদালত হৈ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সন্মুখেৰে এটা পদযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত কেইবাগৰাকীও জ্যেষ্ঠ-কনিষ্ঠ অধিবক্তাই অংশগ্ৰহণ কৰে।

০০০০০০০

বহনক্ষম পৰিৱেশ সৃষ্টিৰ দিশত উল্লেখযোগ্য পদক্ষেপ হিচাপে আজি শিৱসাগৰত প্ৰথমটো প্লাষ্টিক পুনৰ্ব্যৱহাৰ কেন্দ্ৰ উদ্বোধন কৰা হয়। শিৱসাগৰৰ খেলুৱা গাঁৱত অৱস্থিত কেন্দ্ৰটো আজি অতিৰিক্ত জিলা আয়ুক্ত গীতালী দুৱৰাই উদ্বোধন কৰে। ভাৰতীয় প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থাৰ উদ্যোগত স্থাপন কৰা এই কেন্দ্ৰত প্লাষ্টিক আৱৰ্জনাসমূহৰ ব্যৱস্থাপনাৰ বাবে পুনৰ্ব্যৱহাৰ নিশ্চিত কৰা হ'ব। দৈনিক ১ টন ক্ষমতাৰ এই কেন্দ্ৰটোত অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি প্লাষ্টিক আৱৰ্জনা পৃথকীকৰণ, পৰিষ্কাৰ আৰু পুনৰ্ব্যৱহাৰ কৰিব পৰা সুবিধা ৰখা হৈছে। এই কেন্দ্ৰটো সন্দৰ্ভত ভাৰতীয় প্ৰদূষণ নিয়ন্ত্ৰণ সংস্থাৰ সঞ্চালক আশীষ জৈনে এইদৰে কয় –

বাইট

০০০০০০০

অসম আৰক্ষীৰ দুৰ্নীতি নিবাৰক আৰু তদাৰকী শাখাৰ এটা দলে আজি দৰং জিলাৰ সমবায় সমিতিসমূহৰ ভাৰপ্ৰাপ্ত উপ-পঞ্জীয়ক পৰেশ কুমাৰ চাহুক বিভাগীয় কাৰ্যালয় কক্ষত উৎকোচ লৈ থকা অৱস্থাত হাতে-লোটে আটক কৰে। অভিযানকাৰী দলটোৱে অভিযোগকাৰীৰ উপস্থিতিত আটক কৰা বিষয়াজনে পিন্ধি থকা পেণ্টৰ পকেটৰ পৰা নগদ ৮ হাজাৰ টকা উদ্ধাৰ কৰে। অভিযোগ অনুসৰি আটকাধীন বিষয়াজনে এখন হস্ততাঁত সমবায় সমিতিৰ পঞ্জীয়নৰ বাবে দুগৰাকী গ্ৰাম্য মহিলা শিপিনীৰ পৰা ১০ হাজাৰ টকা উৎকোচ হিচাপে দাবী কৰিছিল। পাছত ৮ হাজাৰ টকাতে পঞ্জীয়ন কৰিবলৈ সন্মত হোৱাত শিপিনী দুগৰাকীৰ পৰা ধনখিনি উৎকোচ হিচাপে লোৱাৰ লগে লগে অভিযানকাৰী দলটোৱে উপ-পঞ্জীয়কজনক আটক কৰে।

০০০০০০০

অসম গণ পৰিষদৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভা আজি দলৰ আমবাৰীৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয়। দলৰ সভাপতি অতুল বৰাৰ সভাপতিত্বত অনুষ্ঠিত সভাত আগন্তুক পঞ্চায়ত নিৰ্বাচন আৰু স্বায়ত্ত শাসিত পৰিষদসমূহৰ নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বিশদভাৱে আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে বঙাইগাঁও বিধানসভা সমষ্টিৰ পৰা নৱনিৰ্বাচিত বিধায়ক দিপ্তীময়ী চৌধুৰীক সম্বৰ্দ্ধনা জনোৱা হয়। সভাত দলৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ফণীভূষণ চৌধুৰীকে ধৰি বিধায়কসকল আৰু দলৰ কেন্দ্ৰীয় নেতৃবৰ্গ, জিলা সমিতিৰ সভাপতি আৰু সম্পাদকসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যৰ স্বাস্থ্য খণ্ডৰ আন্তঃগাঁথনি উন্নীতকৰণ আৰু জনসাধাৰণক মান সম্পন্ন স্বাস্থ্য সেৱা প্ৰদানৰ লক্ষ্যৰে সমগ্ৰ অসমত আজিৰে পৰা ৩ দিনীয়া কাৰ্যসূচীৰে তৃতীয় স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হৈছে। ২০২২ বৰ্ষৰ পৰা বিদ্যালয়ৰ গুণোৎসৱৰ আৰ্হিত ৰাজ্যখনৰ স্বাস্থ্য খণ্ডৰ সৰ্বাত্মক মূল্যায়নৰ বাবে এই কাৰ্যসূচী গ্ৰহণ কৰি অহা হৈছে। এই উৎসৱৰ সময়ছোৱাত ৰাজ্যৰ প্ৰায় এহেজাৰ ছশ স্বাস্থ্য কেন্দ্ৰত চিকিৎসা সেৱা আৰু আন্তঃগাথনি মূল্যায়ন কৰা হ'ব।

**কামৰূপ** মহানগৰ জিলাৰ ৫৬ টা স্বাস্থ্য কেন্দ্ৰ, **শিৱসাগৰ**ৰ ৪৫ খন চিকিৎসালয়, **মাজুলী**ৰ ১৬টা স্বাস্থ্য কেন্দ্ৰ, **দৰং** জিলাত ৪৭টা স্বাস্থ্য কেন্দ্ৰ, **তিনিচুকীয়া**ৰ ১৭ খন চিকিৎসালয় আৰু ৫ টা আয়ুষ্মান আৰোগ্য মন্দিৰৰ লগতে কমেও ৫৫ খন চিকিৎসা প্ৰতিষ্ঠান, **গোলাঘাট** জিলাৰ ৭১ খন আৰু **নগাঁও** জিলাৰ ৩২ খন চৰকাৰী চিকিৎসালয়, **চৰাইদেউ** জিলাৰ ৩৮ টা আৰু **কাৰ্বি আংলং** জিলাৰ ৩৬ টা চিকিৎসা প্ৰতিষ্ঠানত ৩ দিনীয়াকৈ স্বাস্থ্য সেৱা উৎসৱ অনুষ্ঠিত হ'ব। একেদৰে **লখিমপুৰ** জিলাত ৫২ খন চিকিৎসালয়, **বঙাইগাওঁ** জিলাৰ ২৯ টা স্বাস্থ্যকেন্দ্ৰ, **ওদালগুৰি** জিলাৰ ৫০ খন চিকিৎসালয়, **চিৰাং** জিলাৰ ৩৪টা স্বাস্থ্য কেন্দ্ৰ, **নলবাৰী** জিলাৰ ৫৮ খন চিকিৎসালয় আৰু **দক্ষিণ শালমাৰা মানকাছৰ** জিলাৰ হাটশিঙিমাৰীৰ ১৭ টা স্বাস্থ্যকেন্দ্ৰতো এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। গোৱালপাৰা জিলাত ৫১ টা চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানক সামৰি এই কাৰ্যসূচী অনুষ্ঠিত হৈছে। ইয়াৰ বাবে জিলা প্ৰশাসনে ১৭ টা দুজনীয়া দল গঠন কৰি চিকিৎসা প্ৰতিষ্ঠানসমূহ মূল্যায়নৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰি সকলো দিশ নিৰীক্ষণৰ বাবে ৰাজ্য চৰকাৰেও জিলাখনত বিভিন্ন বিভাগৰ ১১ গৰাকী শীৰ্ষ বিষয়াক নিয়োগ কৰিছে।

০০০০০০০

অৱসৰৰ লগে লগে পেঞ্চনৰ সা-সুবিধা প্ৰদান কাৰ্যসূচীৰ অংশ হিচাপে আজি মৰিগাঁও জিলাত অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী শিক্ষক-শিক্ষয়িত্ৰীক সম্বৰ্দ্ধনা জনোৱাৰ লগতে অৱসৰকালীন সা-সুবিধাসমূহ আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। এই উপলক্ষে মৰিগাঁৱৰ ঐতিহ্য ভৱনত আয়োজিত অনুষ্ঠানত মুখ্য অতিথি ৰূপে উপস্থিত থাকি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই এনে পদক্ষেপৰ বাবে শিক্ষা বিভাগক প্ৰশংসা কৰে। তেওঁ অৱসৰ গ্ৰহণ কৰা শিক্ষকসকলক সৃষ্টিমূলক আৰু গঠনমূলক সামাজিক কামত জড়িত থাকিবলৈ আহ্বান জনায়।

০০০০০০০

গুৱাহাটীৰ ভাৰতীয় প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠান অৰ্থাৎ আই আই টিত চাৰিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত দশম ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ আজি সামৰণি পৰে। সামৰণি অনুষ্ঠানত ৰাজ্য চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী কেশৱ মহন্তই ভাষণ দিয়ে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে কয়, যে এই মহোৎসৱে বিজ্ঞানক জনপ্ৰিয় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। তেওঁ কেন্দ্ৰীয় বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ক এই মহোৎসৱ আয়োজনৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। নিজৰ ভাষণত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনত বিজ্ঞান সন্মত মানসিকতা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ৰাজ্যখনৰ প্ৰতিটো উন্নয়ন খণ্ডক সামৰি ২১৯ টা বিজ্ঞান কেন্দ্ৰ স্থাপনৰ পাছত এতিয়া প্ৰতিখন জিলাতে এনে বিজ্ঞান কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। এনে পাঁচটা কেন্দ্ৰ ইতিমধ্যে কাৰ্যক্ষম হৈছে আৰু ১৭ টা নিৰ্মীয়মান অৱস্থাত আছে বুলি তেওঁ উল্লেখ কৰে। ৰাজ্য চৰকাৰে শেহতীয়াভাৱে জলবায়ু পৰিৱৰ্তনৰ বিষয়টো গুৰুত্ব সহকাৰে লৈছে বুলি উল্লেখ কৰি তেওঁ ৰাজ্যখনত এই মহোৎসৱ উদযাপনৰ ক্ষেত্ৰত অসম চৰকাৰ অংশীদাৰ হ'বলৈ পাই গৌৰৱান্বিত বুলি উল্লেখ কৰে। আজিৰ অনুষ্ঠানত ভাৰত আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান মহোৎসৱৰ মুখ্য সমন্বয়ক ডঃ চি আনন্দ ৰামকৃষ্ণনে অংশ লৈ ভাষণ দিয়ে। তেওঁ এই মহোৎসৱত অসমৰ সক্ৰিয় অংশগ্ৰহণৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে ৰাজ্যখনৰ ৩৯ টা ষ্টাৰ্টআপে প্ৰদৰ্শনীত অংশ লোৱা বিষয়টোত সন্তুষ্টি প্ৰকাশ কৰে। আজিৰ অনুষ্ঠানত মহোৎসৱৰ বিভিন্ন শিতানৰ পুৰস্কাৰসমূহ প্ৰদান কৰা হয়। ইয়াৰে বিজ্ঞান, প্ৰযুক্তিবিদ্যা, প্ৰতিৰক্ষা আৰু মহাকাশ প্ৰদৰ্শনী শিতানত বড়োলেণ্ড

বিশ্ববিদ্যালয়ে জুৰীৰ বিশেষ  বঁটা লাভ কৰে। অসম চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগ তথা আই আই টি, গুৱাহাটীয়েও এই শিতানত বঁটা লাভ কৰে।

০০০০০০০

আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতিৰ সম্প্ৰসাৰণ ঘটোৱা হৈছে। মনোজ ধানৱাৰৰ নেতৃত্বত এই সমিতিখনত ঋষিৰাজ কৌণ্ডিন্যক নতুন উপ-সভাপতি হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। সমিতিখনত ৮ গৰাকী সাংগঠনিক আৰু ১৩ গৰাকী যুটীয়া সাংগঠনিক সচিবক অন্তৰ্ভুক্ত কৰা হৈছে।

০০০০০

কামৰূপী লোকগীতৰ যশস্বী শিল্পী ৰামেশ্বৰ পাঠকৰ আজি পূণ্য তিথি।

MUSIC

আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত শিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শিল্পীগৰাকীৰ পূণ্য তিথিত শ্ৰদ্ধা নিবেদন কৰি দিয়া বাৰ্তাত কয়, যে অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ জগতখনক কামৰূপী লোকগীতে বিশেষভাৱে সমৃদ্ধ কৰিছে। আজি লোকসংগীতৰ বৰেণ্য সাধকগৰাকীক শ্ৰদ্ধাৰে স্মৰণ কৰি নতুন প্ৰজন্মই তেওঁৰ গীতৰ চৰ্চা  অব্যাহত ৰাখি বিশ্বত এই গীতসমূহক জনপ্ৰিয় কৰি তুলিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কামৰূপী লোকগীতক নিজৰ অনন্য গায়ন শৈলীৰে দেশজুৰি জনপ্ৰিয় কৰা শিল্পীগৰাকীৰ গীতসমূহ আজিও শ্ৰোতাৰ বাবে সমানে প্ৰিয় হৈ আছে।

SONG

০০০০০০০

অসমৰ ঈষা ৰাণী বৰুৱাই গুৱাহাটী মাষ্টাৰ্ছ ২০২৪ আন্তৰ্জাতিক বেডমিণ্টন প্ৰতিযোগিতাত পোনপটীয়াকৈ মূল ৰাউণ্ডত খেলাৰ বাবে যোগ্যতা অৰ্জন কৰিছে। প্ৰতিযোগিতাৰ সূচীত ঈষা ৰাণীক মহিলাৰ একক শাখাত মূল ৰাউণ্ডত খেলাৰ সুযোগ দিয়া হৈছে। সেই অনুসৰি কাইলৈ তেওঁ ৰাউণ্ড অব থাৰ্টী-টুৰ মেচত অংশ ল'ব। ইফালে, গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পৰ কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা প্ৰতিযোগিতাৰ কোৱালিফায়িং ৰাউণ্ডৰ খেল আৰম্ভ হৈছে। প্ৰতিযোগিতাত পুৰুষ আৰু মহিলাৰ একক আৰু ডাবলছৰ লগতে মিক্সড শাখাৰো খেল অনুষ্ঠিত হয়। উল্লেখযোগ্য যে ভাৰতীয় বেডমিণ্টন ফেডাৰেশ্যনৰ সহযোগত অসম বেডমিণ্টন সন্থাই ক্ৰমাগত দ্বিতীয় বাৰৰ বাবে মহানগৰীত আয়োজন কৰা প্ৰতিযোগিতাখনত বিশ্বৰ ২৩খন দেশৰ ৪৬১গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। মুঠ ১ লাখ আমেৰিকান ডলাৰ প্ৰাইজমাণি থকা প্ৰতিযোগিতাখন অহা ৮ ডিচেম্বৰত সামৰণি পৰিব।

০০০০০০০

**সমাপ্ত**